# MANAVAYATAN

THE HUMANOSPHERE

A UGC CARE LISTED JOURNAL

A Peer-reviewed International Journal on Humanities
of Centre for Studies in Humanities

Volume VIII, 2019



Editor : Jagadish Patgiri
Associate Editor : Nurul Islam Saikia
Asstt. Editor : Rituparna Patgiri

Centre for Studies in Humanities
Jiban Krishna Path, H.N. 16, Hengerabari
Guwahati-781036, Assam, India

# MANAVAYATAN

## THE HUMANOSPHERE

**A UGC CARE Listed Journal**

Bilingual (English-Assamese) Multidisciplinary Research Journal on Humanities

© Centre for Studies in Humanities

ISSN : 2249-0612
Volume VIII : 2019
December, 2019

Price : 500/-

Cover design : Manjit Rajkhowa

Printed at
North-East Printers
North Sarania, Lalmati, Guwahati-781003
Tel : +91-361-2663803, 09435551528

Published by
Secretary
Centre for Studies in Humanities
Jiban Krishna Path, H.N. 16
Hengerabari, Guwahati-781036, Assam, India
E-mail : Jagadishpatgiri@gmail.com ; ritwikajpatgiri@yahoo.in
**Website: www.manavayatan.com**

| | | |
|---|---|---|
| নিৰুপমা বৰগোহাঞিৰ চুটিগল্পত প্ৰতিফলিত লোকজীৱনৰ চিত্ৰ ( *যাদুঘৰৰ ইতিকথা* আৰু *ঢেঁকীৰ সৰগ* গল্পৰ বিশেষ উল্লিখনেৰে) | মিতালী খাখলাৰী | 485-489 |
| অংকীয়া ভাওনাত অসমৰ সমাজ-জীৱনৰ প্ৰভাৱ : এটি অধ্যয়ন | দুলাল হাজৰিকা | 490-508 |
| সুকবি নাৰায়ণদেৱৰ *পদ্মা পুৰাণ*ৰ হাচান-হুচেন আখ্যান | নুৰুল ইছলাম শইকীয়া | 509-513 |
| হোমেন বৰগোহাঞিৰ *মৎস্যগন্ধা* উপন্যাসত লোকসাংস্কৃতিক উপাদান | বিনীতা বৈশ্য | 514-520 |
| *এজন বুঢ়া মানুহ* উপন্যাসত প্ৰতিফলিত নাৰী জীৱন : এটি আলোচনা | ছাহনাজ বেগম | 521-526 |
| স্বাধীন ভাৰতৰ শিখসকলৰ পৃথকতাবাদী চেতনা আৰু মামণি ৰয়ছম গোস্বামীৰ *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা* | বিতোপন দাস | 527-531 |
| হাজো অঞ্চলৰ বিবাহৰ স্ত্ৰী-লোকাচাৰ | মীনা কুমাৰী দাস | 532-541 |
| ৰসৰ প্ৰয়োগত *কীৰ্তন-ঘোষা*ত প্ৰতিফলিত অসমীয়া লোকজীৱন | বিশ্বদীপা দাস | 542-557 |
| সাহিত্য আৰু চলচ্চিত্ৰৰ অন্তৰ্বিদ্যাৰতী অধ্যয়ন : সম্ভাৱনীয়তা আৰু সীমাবদ্ধতা (ভবেন্দ্ৰ নাথ শইকীয়াৰ *সন্ধ্যাৰাগ*ৰ উল্লিখনেৰে) | প্ৰদীপ বড়া | 558-576 |

ISSN : 2249-0612

Volume VIII : 2019
Pp. 542-557

**MANAVAYATAN**
THE HUMANOSPHERE
**A UGC CARE Listed Journal**
Journal on Humanities of Centre for Studies in Humanities

# ৰসৰ প্ৰয়োগত *কীৰ্তন-ঘোষা*ত প্ৰতিফলিত অসমীয়া লোকজীৱন

*বিশ্বদীপা দাস*

[**সংক্ষিপ্ত সাৰ ঃ** সাহিত্য বিচাৰত ৰস বুলিলে মানুহৰ মানসিক পৰিপূৰ্ণতাৰ এটি বিশেষ অৱস্থা বুলি বুজা যায়। নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰতমুনি ৰস মতবাদৰ প্ৰৱৰ্তক। ৰসৰ অবিহনে কোনো বাক্যই পূৰ্ণঅৰ্থ লাভ কৰিব নোৱাৰে। ভৰতৰ প্ৰসিদ্ধ ৰসসূত্ৰ হ'ল— *বিভাৱানুভাৱব্যভিচাৰি সংযোগাদ্ৰসনিষ্পত্তিঃ*ৰ অৰ্থাৎ বিভাৱ, অনুভাৱ আৰু ব্যভিচাৰিভাৱৰ দ্বাৰা ব্যঞ্জিত হোৱা স্থায়ীভাৱেই ৰস। মানৱ অন্তৰত কিছুমান সহজাত বৃত্তি থাকে। ৰতি বা ভালপোৱা, শোক, ক্ৰোধ, উৎসাহ, ভয় ইত্যাদি চিত্তবৃত্তি সমূহৰ উপযুক্ত কাৰণ পালে বহিঃপ্ৰকাশ ঘটি কাব্যশিল্পত 'ৰস' ৰূপ লৈ আনন্দদায়ক পৰিবেশৰ সৃষ্টি কৰে। ভৰতমুনিয়ে শৃংগাৰ, বীৰ, অদ্ভূত, কৰুণ, হাস্য, ভয়ানক, ৰৌদ্ৰ আৰু বীভৎস — আঠটা ৰসৰ উল্লেখ কৰিছে। অন্যান্য আলংকাৰিকে শান্ত আৰু ব্যৎসল্য ৰসকো সাহিত্য ৰসৰ অন্তৰ্ভুক্ত কৰিছে। তদুপৰি অসমীয়া সাহিত্যত বৈষ্ণৱ যুগ তথা শঙ্কৰী যুগৰ বৰগীত, প্ৰাৰ্থনা, কীৰ্তনঘোষা, নামঘোষা আদিত নিহিত ৰসকো ভক্তিৰস আখ্যা দিয়া হৈছে। অৱশ্যে ভক্তিক সৰ্বজন স্বীকৃত এবিধ নিৰ্দিষ্ট ৰস বুলি গ্ৰহণ কৰা নাযায়। কিন্তু শঙ্কৰদেৱৰ সাহিত্য তথা বৈষ্ণৱ সাহিত্যৰাজিৰ মূল ভক্তিতত্ত্বক পুষ্টিকৰণ কৰিছে সাহিত্য শাস্ত্ৰ স্বীকৃত ৰসে। শঙ্কৰদেৱে কীৰ্তন-ঘোষা পুথিখনিৰ জৰিয়তে নাম প্ৰসঙ্গৰ মাধ্যমেৰে অসমীয়া লোকজীৱনত একশৰণ হৰিনাম ধৰ্ম সফলভাৱে প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ মূলতে হ'ল সাধাৰণ অশিক্ষিত লোক সমাজে পুথিখনিৰ মাধ্যমেৰে কৰা গভীৰ ৰসোপলব্ধি। শঙ্কৰদেৱে লোকজীৱনৰে সূক্ষ্মতম সমল বুটলি কাব্যিক ৰসসিক্ত কৰি কীৰ্তন-ঘোষা পুথিখন উপাদেয় কৰি তুলিছে। মূলতঃ ভক্তিক পুষ্টিকৰণ কৰা ৰসসমূহ কীৰ্তন-ঘোষাত কেনেদৰে পৰিব্যাপ্ত হৈ আছে, সেই সন্দৰ্ভত গৱেষণা পত্ৰত আলোকপাত কৰিব বিচৰা হৈছে। আলোচনা বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰে কৰা হ'ব।

**বীজশব্দ ঃ** ভক্তি, ৰস, অসমীয়া লোকসমাজ]